# ডিব্রুগড়ত সভাৰ গ্ৰন্থ বিপনী উদ্বোধন

ডিব্রুগড়ৰ ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱনস্থিত সভাৰ ডিব্রুগড় কাৰ্যালয়ত যোৱা ৩ নৱেম্বৰ, ২০২০ খ্ৰীষ্টাব্দ তাৰিখে সভাপতি ড° কুলধৰ শইকীয়াই এখন গ্ৰন্থ বিপনী উদ্বোধন কৰে। উদ্বোধনী ভাষণত ড° শইকীয়াই কয় যে এই গ্ৰন্থ বিপনী অসম সাহিত্য সভাৰ প্ৰতিটো আঞ্চলিক কাৰ্যালয়ত একোখনকৈ গ্ৰন্থ বিপনী মুকলি কৰিবলৈ অলপতে লোৱা অভিযানৰ অংশ। উল্লেখযোগ্য যে সভাৰ যোৰহাট আৰু গুৱাহাটী কাৰ্যালয়ত ইতিমধ্যে এখনকৈ গ্ৰন্থ বিপনী আছে। ড° শইকীয়াই লগতে কয় যে অসম সাহিত্য সভাই অলপতে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বিপনীত সভাৰ কিছু নিৰ্বাচিত গ্ৰন্থ পাঠকৰ বাবে উপলব্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে, য'ৰ পৰা ৰেহাই মূল্যত সভাই প্ৰকাশ কৰা গ্ৰন্থসমূহ ক্ৰয় কৰিব পাৰিব।



গ্ৰন্থ বিপনী উদ্বোধনৰ আগ মুহূৰ্তত সভাৰ সভাপতি ড° কুলধাৰ শইকীয়া আৰু অন্যান্য

লগতে, সভাপতি ড° শইকীয়াই ডিব্রুগড় কাৰ্যালয়ৰ ভিতৰত সু-সজ্জিত ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়াৰ এখনি প্ৰতিচ্ছবি উন্মোচন কৰে।

সভাত উপস্থিত গণ্য-মান্য ব্যক্তিসকলৰ ভিতৰত বিশিষ্ট লেখক-অনুবাদক দেৱীপ্ৰসাদ বাগ্ৰাদিয়া, সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য গিৰিশ সন্দিকৈ, ডিব্রুগড় আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ডাঃ শান্তনু লহকৰ, সভাৰ আন্তঃৰাজ্যিক ভাৱ বিনিময় উপ-সমিতিৰ আহ্বায়ক আদিত্য শইকীয়া, সভাৰ ৰাজ্যভাষা আৰু মাতৃভাষা প্ৰয়োগ উপ-সমিতিৰ আঞ্চলিক আহ্বায়ক হেমপ্ৰভা তাছা, 'কুঁহি' উপ-সমিতিৰ সভাপতি বীৰেন বৰুৱা, সভাৰ আভ্যন্তৰীণ হিচাপ-পৰীক্ষক ভূৱনমোহন গোস্বামী, ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন অৰৰক্ষণ সমিতিৰ কোষাধ্যক্ষ ৰাজকুমাৰ আগৰৱালা আদি উল্লেখযোগ্য।

০০০০